দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

গুৱাহাটী বিশ্ববিদ্যালয়

গৃহপঞ্জী

চতুৰ্থ ষাণ্মাসিক

অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম, ২০১১-২০১২

নিৰ্দেশাৱলী ঃ

১) *বিদ্যাৰ্থীসকলৰ নাম, শৈক্ষিক বৰ্ষ, ৰোল নং আৰু শিৰোনাম (প্ৰশ্নৰ) ওপৰৰ পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।*

২) *প্ৰতিখন কাকতৰ বাবে দুটাকৈ প্ৰশ্ন থাকিব আৰু প্ৰতিটো প্ৰশ্নোত্তৰ ৫০০ শব্দৰ ভিতৰত হ'ব লাগিব। অতিৰিক্ত শব্দ সংখ্যাৰ বাবে ঋণাত্মক মূল্যায়ণ হ'ব।*

৩) *প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ৮। মুঠ মূল্যাংক ১৬ (৮ X ২)।*

৪) *বিদ্যাৰ্থীসকলে প্ৰশ্নোত্তৰসমূহ পৰিস্কাৰ হাতৰ আখৰেৰে **A4** আকৃতিৰ কাগজৰ এপিঠিত লিখি জমা দিব পাৰিব। লিখোতে প্ৰতিটো পৃষ্ঠাৰে চাৰিওফালে এক ইঞ্চিকৈ খালি ঠাই এৰিব লাগিব।*

৫) *মুদ্ৰক যন্ত্ৰৰ সহায়ত প্ৰশ্নোত্তৰ লিখোঁতে বিদ্যাৰ্থীসকলে শব্দ গঠনত হ'ব পৰা ভুলবোৰত বিশেষ গুৰুত্ব দিয়া দৰকাৰ।*

৬) *ব্যৱসায়িক ভিত্তিত বিক্ৰী কৰা প্ৰশ্নোত্তৰ জমা দিয়াটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।*

৭) *গৃহপঞ্জীসমূহ ২০১৩ ইংৰাজী বৰ্ষৰ **এপ্ৰিল মাহৰ ৩০ তাৰিখ অথবা তাৰ আগতে** জমা দিব লাগিব। পলমকৈ জমা দিয়া গৃহপঞ্জী গ্ৰহণযোগ্য নহ'ব।*

সাহিত্য (ক) অথবা ভাষা (খ) শাখাৰ যিকোনো এটা শাখাৰ পৰা উত্তৰ লিখিব

আটাইবোৰ প্ৰশ্নই বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ৮

সাহিত্য শাখা ঃ

পাঠ্যবিষয় ৪.১ (ক)

১। ভাগৱত ধৰ্ম আৰু নাম-ধৰ্ম সম্পৰ্কে 'ভক্তি-প্ৰদীপ' গ্ৰন্থত কেনেদৰে ব্যাখ্যা কৰা হৈছে —সেইবিষয়ে আলোচনা কৰক।

২। ৰুদ্ৰসিংহ কৃত 'শিৱ-পুৰাণ'ৰ মূল আৰু কবিৰ মৌলিকতাৰ বিষয়ে এটি টোকা লিখক।

পাঠ্যবিষয় ৪.২ (ক)

১। মহাকাব্যৰ লক্ষণ কি? মহাকাব্য হিচাপে 'ৰঘুবংশম্' কাব্যৰ বিষয়ে আলোচনা কৰক।

২। 'সংস্কৃত নাট্য সাহিত্যত 'অভিজ্ঞানশকুন্তলম'-এ শ্ৰেষ্ঠ স্থান অধিকাৰ কৰিছে'- যুক্তি সহকাৰে আলোচনা কৰক।

পাঠ্যবিষয় ৪.৩ (ক)

১। শ্বেলীৰ 'অ'ড টু দ্য ৱেষ্ট উইণ্ড' প্ৰচণ্ড হতাশা আৰু যন্ত্ৰণাৰ পৰা গভীৰ আশাবাদৰ অভিমুখে এক যাত্ৰা —এই মন্তব্যৰ সত্যতা বিচাৰ কৰক।

২। 'দ্য প্লেগ্' উপন্যাসখনত মৃত্যুৰ ধাৰণাটো কিদৰে উপস্থাপন কৰা হৈছে? উপন্যাসখনৰ বিষয়বস্তুৰ ভিত্তিত উক্ত ধাৰণাটোৰ বিষয়ে এটা ব্যাখ্যা আগবঢ়াওক।

পাঠ্যবিষয় ৪.৪ (ক)

১। "কাবুলিৱালা' গল্পটিত এজন পিতৃৰ চিৰন্তন অপত্য স্নেহ চিত্ৰিত হৈছে' —আলোচনা কৰক।

২। 'ৰাপচী' চুটিগল্পটিত নতুন আৰু পুৰণিৰ সংঘাটৰ চিত্ৰ প্ৰতিফলিত হৈছে, ব্যাখ্যা কৰক।

পাঠ্যবিষয় ৪.৫ (ক)

১। মাধৱদেৱৰ 'আদিকাণ্ড-ৰামায়ণ' অনুবাদ প্ৰধান গ্ৰন্থ হ'লেও তাত অসমৰ সামাজিক জীৱনৰ প্ৰভাব লক্ষ্য কৰা যায়। কথাষাৰ বহলাই আলোচনা কৰক।

২। পৌৰাণিক নাটক হিচাপে জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' নাটখন পৰ্যালোচনা কৰক।

ভাষা শাখা ঃ

পাঠ্যবিষয় ৪.১ (খ)

১। 'গাহাসত্তসঈ' কি ভাষাত ৰচিত। ইয়াক অকল প্ৰেমমূলক কাব্য বুলিব পাৰিনে? পুথিখনিৰ গাথাসমূহৰ ছন্দসজ্জাৰ এটি আভাস দিয়ক।

২। 'সন্দেশ ৰাসক'-ক ৰাসক শ্ৰেণীৰ কাব্য বুলি কিয় কোৱা হয়? ইয়াত প্ৰকাশিত প্ৰেম-কাহিনী সংস্কৃত প্ৰেম-কাব্যতকৈ কি কি বিষয়ত পৃথক, বিশ্লেষণ কৰি দেখুৱাওক।

পাঠ্যবিষয় ৪.২ (খ)

১। সংস্কৃতত ব্যঞ্জন ধ্বনি কেইটা আৰু কি কি? কিহৰ ভিত্তিত এই ব্যঞ্জনবোৰক শ্ৰেণীবিভাগ কৰিব পাৰি? অসমীয়াত এই ব্যঞ্জন ধ্বনিবোৰৰ কেনে ধৰণৰ পৰিবৰ্তন ঘটিল, সেই বিষয়ে বহলাই আলোচনা কৰক।

২। ল-কাৰ বুলিলে কি বুজা যায়? সংস্কৃতৰ ল-কাৰ কেইপ্ৰকাৰ আৰু কি কি? পালি-প্ৰাকৃত আৰু অসমীয়াত এই ল-কাৰ কেনেদৰে ৰক্ষিত হৈছে, আলোচনা কৰক।

পাঠ্যবিষয় ৪.৩ (খ)

১। 'অসমীয়া ভাষাত অনাৰ্যমূলীয় প্ৰভাৱ' —এই বিষয়ক এটি প্ৰবন্ধ যুগুত কৰক।

২। অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক, অনিৰ্দিষ্টতাবাচক আৰু পুৰুষ বুজোৱা পুৰুষবাচক সৰ্গসমূহৰ গঠন আৰু প্ৰয়োগ সম্পৰ্কে আলোচনা কৰক।

পাঠ্যবিষয় ৪.৪ (খ)

১। সামগ্ৰীদাতা কি? গৱেষক এজনে সামগ্ৰীদাতা নিৰ্বাচনত কি কি দিশৰ ওপৰত গুৰুত্ব দিয়া উচিত?

২। কামৰূপী উপভাষাৰ ধ্বনি পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহ বহলাই আলোচনা কৰক।

পাঠ্যবিষয় ৪.৫ (খ)

১। অসমৰ তিব্বত-বৰ্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ বৈশিষ্ট্যসমূহ পৰ্যালোচনা কৰক।

২। তিব্বত-বৰ্মীয় ভাষাৰ ধাতুৰ গঠন আৰু প্ৰয়োগ সম্বন্ধে সবিশেষ লিখা।

* * *